**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-12-2025
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী পিযুষ হাজৰিকা আৰু মন্ত্ৰী প্ৰশান্ত ফুকনৰ পৃথকে পৃথকে প্ৰস্তুতিমূলক বৈঠক।

২। পাকিস্তানৰ চোৰাংচোৰা সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত তেজপুৰ আৰক্ষীৰ ভাৰতীয় বায়ু সেনাৰ এজন অৱসৰপ্ৰাপ্ত বিষয়াক গ্ৰেপ্তাৰ।

৩। নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিৰ ভাৰতীয় নাগৰিকত্ব লাভ।

৪। কেন্দ্ৰীয় সমবায় ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰৰ গুৱাহাটীত চতুৰ্থ সমবায় মেলা উদ্বোধন। ***আৰু***

৫। অৰুণাচল প্ৰদেশৰ আনজাওঁৰ দুৰ্ঘটনাত নিহত লোকসকলৰ মৃতদেহ অসম চৰকাৰক হস্তান্তৰ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২১ ডিচেম্বৰত নামৰূপৰ এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ উদ্দেশ্যে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে সুৰক্ষাকে ধৰি সকলোবোৰ দিশৰ বিশেষ তদাৰক কৰাৰ লগতে অলপতে ক্ষেত্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতি সম্পৰ্ক বুজ লয়। তেওঁ উচ্চপদস্থ বিষয়াবৰ্গৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকতো মিলিত হয়। প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়কসকলেও নিজ নিজ অঞ্চলত প্ৰস্তুতি সম্পৰ্কে অৱগত হ'বলৈ মিলিত হৈছে। চাবুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাৰ বাসগৃহত আজি দলীয় কৰ্মকৰ্তাসকলৰ সৈতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়াৰ বাবে বিধায়কগৰাকীৰ উপস্থিতিত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকখনত সকলো কৰ্মকৰ্তাকে নিজ নিজ দায়িত্বসমূহ ভগাই দিয়া হয়। মন্ত্ৰী ফুকনে সকলোকে সুকলমে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী অসম আগমনৰ এই ক্ষণ ঐতিহাসিক হিচাপে চিহ্নিত কৰি তুলিবলৈ আহ্বান জনায়।

ooooo

পাকিস্তানৰ চোৰাংচোৰা সংস্থাৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত তেজপুৰ আৰক্ষীয়ে আজি ভাৰতীয় বায়ু সেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰে। ধৃত কুলেন্দ্ৰ শৰ্মাই দেশৰ প্ৰতিৰক্ষা বিভাগৰ অতি স্পৰ্শকাতৰ নথিপত্ৰ আৰু তথ্য সামাজিক মাধ্যমৰ জৰিয়তে পাকিস্তানী চোৰাংচোৰাক প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে অভিযুক্ত লোকজনৰ লেপটপ আৰু মোবাইল জব্দ কৰি পৰীক্ষাৰ বাবে গৱেষণাগাৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে অভিযুক্ত লোকজনে ২০০২ চনত বায়ু সেনাৰ

পৰা অৱসৰ গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত লোকজনে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনিক বিভাগত কৰ্মৰত হৈ অৱসৰ গ্ৰহণ কৰে বুলি শোণিতপুৰৰ উপ আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে।

**বাইট**

oooo

নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে। শ্ৰীভূমি জিলাত বাস কৰা বাংলাদেশৰ চট্টগ্ৰামৰ ৪০ বছৰীয়া এগৰাকী মহিলাক CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছে। নাগৰিকত্ব লাভ কৰা মহিলাগৰাকীয়ে ২০০৭ চনত চিকিৎসাৰ বাবে আহি শ্ৰীভূমিৰ এজন ব্যক্তিৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈ স্থায়ীভাৱে থাকিবলৈ আৰম্ভ কৰিছিল। ২০১৯ চনত CAA- গৃহীত হোৱাৰ পিছত নাগৰিকত্বৰ বাবে আবেদন কৰি দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াৰ অন্তত কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতি লাভ কৰে। আনহাতে, শিলচৰৰ এজন ৬১ বছৰীয়া এজন ব্যক্তিও CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে।

ooooo

কেন্দ্ৰীয় সমবায় বিভাগৰ ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰে আজি গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত  চতুৰ্থ সমবায় মেলা উদ্বোধন কৰে। আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ লগতে ২০৪৭ চনৰ ভিতৰত দেশখনক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত  সমবায় সমিতিসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে সংবাদমাধ্যমৰ আগত মন্তব্য কৰে।

বাইট

আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সমবায় মন্ত্ৰী যোগেন মহন, কেন্দ্ৰীয় চৰকাৰৰ সমবায় বিভাগৰ জ্যেষ্ঠ বিষয়া আশীষ কুমাৰ ভূটানি, ৰাজ্য চৰকাৰৰ সমবায় বিভাগৰ সচিব অনন্ত লাল জ্ঞানীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। এই মেলাৰ জৰিয়তে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন সমবায় সমিতিসমূহে অৰ্থনৈতিক  ভেটি শক্তিশালী কৰাৰ যাত্ৰা প্ৰতিফলিত হৈছে বুলি মন্ত্ৰী শ্ৰীযোগেন মহনে মন্তব্য কৰে। উল্লেখযোগ্য যে ১৫ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিছে। মেলাত হাতে বোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হৈছে। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোক নৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক  আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত চাকৰি দিয়াৰ প্ৰলোভনেৰে ধন সংগ্ৰহ কৰাৰ অভিযোগত আৰক্ষীৰ অপৰাধ শাখাই সত্যম তালুকদাৰ নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। চাইবাৰ থানাত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত আৰক্ষীয়ে গুৱাহাটী মহানগৰীৰ কাহিলিপাৰৰ পৰা অভিযুক্ত তালুকদাৰক গ্ৰেপ্তাৰ কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ লেবৰেটৰী টেকনিচিয়ান পদত চাকৰি দিয়াৰ নামত সত্যম তালুকদাৰে বিভিন্ন লোকৰ পৰা ধন সংগ্ৰহ কৰিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

নগাওঁ জিলা প্ৰশাসনে অহা ১৬ ডিচেম্বৰত ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱত উচ্ছেদ চলাব। চালনাবাৰী গাঁৱৰ ভেৰভেৰি বিলৰ পৰা মাগুৰমাৰী বিললৈকে এই উচ্ছেদ চলিব। ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই আজি উচ্ছেদ চলাবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে একাংশ মীনপালকে টুকটুকি, আহোমগাওঁ, কটগুৰি, ৰৌমাৰী বিল, মৈৰাধবজ গাঁৱত থকা প্ৰাকৃতিক পানীৰ সুতি ৰুদ্ধ কৰি অবৈধভাৱে পুখুৰী বান্ধ নিৰ্মাণ কৰিছে। যাৰ ফলত পানীৰ চলাচল বন্ধ হৈ যোৱাত গাওঁবাসীয়ে সমস্যাৰ সন্মুখীন হৈছে। প্ৰাকৃতিক পানীৰ সুঁতি পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে ১৬ ডিচেম্বৰত এই অঞ্চলসমূহত উচ্ছেদ চলিব বুলি চক্ৰ বিষয়া সৌৰভ কুমাৰে জানিবলৈ দিছে।

ooooo

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মহিলা চিকিৎসক সকলৰ সংস্থা **সঞ্জিৱনী**ৰ সহযোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। মেডিচিন, ই এন টি, চকুৰোগ, প্ৰসূতি, শিশুৰোগ, চৰ্মৰোগ, গেষ্ট্ৰ’ল’জি আদি বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলে এই শিবিৰত স্বাস্থ্য সেৱা আগবঢ়ায়। এই স্বাস্থ্য পৰীক্ষা শিবিৰত সাংবাদিক আৰু সাংবাদিকৰ পৰিয়ালৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

ooooo

দৰং জিলাৰ ধূলাৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নিয়মীয়া তালাচীৰ সময়ত কালি নিশা আৰক্ষীয়ে এখন বাহনৰ পৰা প্ৰায় ৫৫ কিলোগ্ৰাম ওজনৰ ভাং জব্দ কৰে। বাহনখন ৰৌতাৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল। বাহনখনত ১১টা বেগত ভাংখিনি লুকুৱাই ৰখা হৈছিল। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ওদালগুৰি জিলাৰ ৰৌতা থানাৰ অন্তৰ্গত সৰ্বহেৰুওৱা গাঁৱৰ শৰ্মা বড়ো আৰু নব্যব বড়ো নামৰ দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ooooo

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত নিহত লোকসকলৰ মৃতদেহসমূহ আজি অৰুণাচল চৰকাৰে  আইনী প্ৰক্ৰিয়াৰ মাজেৰে অসম চৰকাৰৰ বিষয়াসকলক হস্তান্তৰ কৰে। তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত সকলো আনুষ্ঠানিক প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পাছত মৃতদেহসমূহ পৰিয়ালক চমজাই দিয়া হয়। মন্ত্ৰী বিমল বৰাৰ লগতে স্থানীয় লোকসকলে নিহত সকললৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

উল্লেখযোগ্য যে আজি দিনটোৰ উদ্ধাৰ অভিযানৰ অন্তত দুৰ্ঘটনাস্থলীৰ পৰা ১১ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। কাইলৈ হাইলঙত মৰনোত্তৰ পৰীক্ষাৰ অন্তত তেওঁলোকৰ পাৰ্থিৱ শৰীৰ তিনিচুকীয়ালৈ আনি পৰিয়ালক অৰ্পন কৰা হ’ব বুলি মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰে। এই দুৰ্ঘটনাটোত আঘাতপ্ৰাপ্ত হোৱা শ্ৰমিক বুদ্ধেশ্বৰ দীপ  ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। এই ভয়ংকৰ দুৰ্ঘটনাটোৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ হোৱা বুদ্ধেশ্বৰ হৈছে একমাত্ৰ শ্ৰমিক। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি নিশা চিকিৎসাধীন শ্ৰমিকগৰাকীৰ স্বাস্থ্যৰ বুজ লয়। শ্ৰী সোণোৱালে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ক্ষতিগ্ৰস্ত পৰিয়াললৈ ৭ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

ooooo

গোৱালপাৰা জিলাৰ চামাগুৰি গাঁৱত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চতুৰ্থ ৱাংগালা তথা উৰপদ বিল উৎসৱৰ আজি সামৰণি পৰিব। আজি নিশা ৱাংগালা নৃত্যৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ পিছত এই উৎসৱৰ অন্ত পৰিব। জিলাখনৰ অন্যতম পৰ্যটনস্থলী উৰপদ বিলৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ লগতে গাৰো জনগোষ্ঠীয় লোকসকলৰ কৃষিভিত্তিক উৎসৱ ৱাংগালাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ হকে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে মেঘালয়, নাগালেণ্ড আৰু অসমত বাস কৰা গাৰো সম্প্ৰদায়ৰ লোকসকলে ৱাংগালা উৎসৱ পালন কৰে। প্ৰতিবছৰে গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত গাৰো জাতীয় পৰিষদৰ উদ্যোগত বিস্তৃত কাৰ্যসূচীৰে ৱাংগালা উৎসৱ পালন কৰা হয়। এইবেলিও গাৰো জাতীয় পৰিষদে জিলাখনত চতুৰ্থ বাৰৰ বাবে এই উৎসৱৰ আয়োজন কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

০০০০০

আকাশবাণীৰ বিশেষ প্ৰাসংগিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত বঙাইগাঁও জিলাৰ কৃষি বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনি সন্দৰ্ভত জিলাখনৰ কৃষি বিষয়া পংকজ কুমাৰ তালুকদাৰৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ পুনৰ প্ৰচাৰ কৰা হব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ বঙাইগাঁও জিলাৰ সংবাদদাতা তেজস ত্ৰিপাঠীয়ে।

০০০০০

হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ আদালতৰ চৌহদত আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হৈছে। এই আদালতৰ জৰিয়তে ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয়, ন্যায়াধীকৰণ, ৰাজহ সম্পৰ্কীয় গোচৰকে ধৰি ন্যায়িক আদালতত আপোচযোগ্য বিভিন্ন গোচৰৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

ছুইমিং ফেডাৰেচন অব ইণ্ডিয়া আৰু অসম সাঁতোৰ সন্থাৰ প্ৰতিনিধিবৰ্গই আজি বিশ্বনাথ জিলাত নৱনিৰ্মিত ছুইমিং পুল ভৱনৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত নিৰ্মাণ কাৰ্যত ৰৈ যোৱা আঁসোৱাহৰ বিষয়ে আঙুলিয়াই দি পৰৱৰ্তী সময়ত তাক দূৰ কৰিবলৈ পৰামৰ্শ দিয়ে। পৰিদৰ্শনৰ বাবে অহা দলটোত ছুইমিং ফেডাৰেচন অব ইণ্ডিয়াৰ উপ-সভাপতি  ভাস্কৰ ৰঞ্জন দাস, অসম সাঁতোৰ দলৰ মুখ্য প্ৰশিক্ষক বাবুল গুৰুং, অসম সাঁতোৰ সন্থাৰ যুটীয়া সম্পাদক দিব্য শৰ্মা, সম্পাদক প্ৰশান্ত মহন্তকে ধৰি আন আন সদস্যসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত